**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-07-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::

ৰাজ্য চৰকাৰে বানপীড়িত অঞ্চলসমূহৰ মহিলা তথা শিশুসকলৰ স্বাস্থ্যক অগ্ৰাধিকাৰ দিয়া বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি গোলাঘাট জিলাৰ মৰঙী ৰাজহ চক্ৰৰ অধীনৰ মিঠা আম চাপৰিৰ বান প্ৰভাৱিত অঞ্চলসমূহ পৰিদৰ্শন কৰে। ড০ শৰ্মাই বানপীড়িত ৰাইজৰ সৈতে মত-বিনিময় কৰাৰহ উপৰি বান সাহায্য শিবিৰসমূহৰ কাম-কাজৰ অগ্ৰগতিৰো বুজ লয়। তেওঁ শিমলুচাপৰি প্ৰাথমিক বিদ্যালয়ত থকা আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি শিশুসকলৰ সৈতে কিছু সময় পাৰ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে বানপীড়িত লোকসকলক সকলো ধৰণৰ সাহায্য প্ৰদান কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

উল্লেখযোগ্য যে নাগালেণ্ডত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত গোলাঘাট জিলাৰ ধনশিৰি নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত জিলাখনৰ ৫টা ৰাজহ চক্ৰৰ বিস্তীৰ্ণ অঞ্চল কেইবাদিনো ধৰি বানৰ কবলত আছে। জিলাখনৰ বিভিন্ন স্থানত মুঠ ৩৩টা সাহায্য শিবিৰ মুকলি কৰি জিলা প্ৰশাসনে বানপীড়িত লোকসকললৈ সহায়ৰ হাত আগবঢ়াইছে। মৰঙি ৰাজহ চক্ৰৰ অধীনৰ মুঠ ২৪ খন গাঁৱৰ প্ৰায় ছহেজাৰ লোক বানৰ কবলত পৰিছে। বোকাখাট ৰাজহ চক্ৰৰ মুঠ ৯ খন গাঁৱৰ ৮ সহস্ৰাধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। একেদৰে খুমটাই ৰাজহ চক্ৰৰ অধীনৰ ৩০ খন গাঁও আৰু গোলাঘাট ৰাজহ চক্ৰৰ মুঠ ২৩ খন গাঁৱৰ প্ৰায় দুহেজাৰ লোক এই বানৰ কবলত পৰিছে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত চলি থকা উচ্ছেদ অভিযান সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে গোলাঘাট জিলাৰ উৰিয়ামঘাটত জনগাঁথনিৰ  পৰিৱৰ্তন ঘটোৱাৰ ষড়যন্ত্ৰ হোৱা বুলি আশংকা কৰা হৈছে। এই সন্দৰ্ভত তদন্তৰ ব্যৱস্থা কৰা বুলি উল্লেখ কৰি ড০ শৰ্মাই কয় যে বন বিভাগৰ দলে শীঘ্ৰেই এই অঞ্চলসমূহ পৰিদৰ্শন কৰি বেদখল  হৈ থকা ভূমিৰ হিচাপ-নিকাচ কৰিব।

০০০০

কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত গেৰুৱাত কোনো দুৰ্বৃত্তই খাৰুৱা তেল পৰিবাহী পাইপ নষ্ট কৰে। ভাৰতীয় তেল নিগমৰ গুৱাহাটীৰ পৰা বঙাইগাঁৱলৈ তেল পৰিবাহী পাইপ যোৱা নিশা দুৰ্বৃত্তই নষ্ট কৰাত কেইবাহাজাৰ লিটাৰ খাৰুৱা তেলেৰে খেতিপথাৰ ভৰি পৰা বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। ঘটনাৰ খবৰ লাভ কৰি হাজো আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ ভাৰতীয় তেল নিগমক সবিশেষ জনায়। ইয়াৰ পাছত বিশেষজ্ঞৰ দল এটিয়ে বিশেষ কৌশলেৰে তলৰ নিৰ্গমন বন্ধ কৰে।

০০০০

তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আজি ডুৰাণ্ড কাপ ট্ৰফী ট্যুৰ শীৰ্ষক বিশেষ কাৰ্যসূচী সফলতাৰে সম্পন্ন হয়। অহা ২৭ জুলাইৰ পৰা ১৬ আগষ্টলৈ কোকৰাঝাৰ ছাই ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া ১৩৪ সংখ্যক ডুৰাণ্ড কাপ প্ৰতিযোগিতাৰ সৈতে সংগতি ৰাখি আজিৰ এই কাৰ্যসূচী সেনাবাহিনীৰ গজৰাজ কৰ্পছ্‌ৰ ১০৭ মাউণ্টেইন ব্ৰিগেড তথা ৰাজ্য চৰকাৰী আৰু বি টি চি প্ৰশাসনৰ সহযোগত অনুষ্ঠিত হয়। আজিৰ কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি তামুলপুৰ এফ চি আৰু কলবাৰী জংগিলা এফ চিৰ মাজত এখন প্ৰীতি ফুটবল খেলৰ আয়োজন কৰা হয়।

০০০০

ডিব্ৰুগড়ৰ আউনীআতি সত্ৰৰ প্ৰেক্ষাগৃহত আজি চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ মেধাৰী শিক্ষাৰ্থীসকলক স্বৰ্গীয় থানেশ্বৰ বৰা বঁটা প্ৰদান কৰা হয়। জিলাখনৰ বিশিষ্ট সমাজ কৰ্মী তথা সাহিত্য সংস্কৃতি ক্ষেত্ৰলৈ বিশেষ অৱদান আগবঢ়োৱা স্বৰ্গীয় থানেশ্বৰ বৰাৰ সোঁৱৰণত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিয়ে এই পদক্ষেপ হাতত লৈছে। অনুষ্ঠানত অংশগ্ৰহণ কৰি কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকনে শিক্ষাৰ্থীসকলক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰাৰ লগতে ৰাষ্ট্ৰ নিৰ্মাণৰ কাম-কাজত অৱদান আগবঢ়াবলৈ আহ্বান জনায়।

০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি লোকনিৰ্মাণ বিভাগৰ পাঠশালাত থকা বজালী ক্ষেত্ৰীয় পথ সংমণ্ডল আৰু উপ-সংমণ্ডল কাৰ্যালয় দুটা পাঠশালাতে থাকিব বুলি স্থানীয় ৰাইজক আশ্বাস প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে লোকনিৰ্মাণ বিভাগে অলপতে জাৰি কৰা নিৰ্দেশনাৰ জৰিয়তে বজালীৰ পাঠশালাত থকা বজালী ক্ষেত্ৰীয় পথ সংমণ্ডল আৰু উপ-সংমণ্ডলৰ কাৰ্যালয় নলবাৰীলৈ স্থানান্তৰ হ'ব বুলি প্ৰকাশ কৰা হৈছিল। ইয়াৰ পাছত পাঠশালা বজাৰ সমিতিয়ে স্থানীয় বিধায়ক তথা মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ সৈতে এই সন্দৰ্ভত বিশেষ বৈঠকত মিলিত হয়। তদুপৰি বজালী জিলা ছাত্ৰ সন্থাইও মন্ত্ৰীগৰাকীৰ সৈতে মত বিনিময় কৰে। ইয়াৰ পাছত মন্ত্ৰী দাসে দুয়োটা কাৰ্যালয় পাঠশালাতে ৰখা হ'ব বুলি আশ্বাস দিয়ে।

০০০০

ৰাজ্যৰ শক্তিমন্ত্ৰী তথা ডিব্ৰুগড় সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকনে আজি মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ অধীনত ডিব্ৰুগড়ৰ ৪৬ গৰাকী ৰোগী আৰু তেঁওলোকৰ পৰিয়ালক এককালিন সাহায্যৰ চেক প্ৰদান কৰে। এই অৰ্থসাহায্যই ৰোগীসকলৰ পৰিয়ালক সকাহ দিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০

অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত আজি খোৱাং বিধানসভা সমষ্টিত গ্ৰীষ্মকালীন কৰ্মশালাৰ শুভাৰম্ভ কৰা হয়। জিলাখনৰ পিথুবৰ মহাবিদ্যালয়ত ২৫ জুলাই পৰ্যন্ত চলিবলগীয়া কৰ্মশালাত চিত্ৰকলা আৰু হস্তশিল্পৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। আজি উদ্বোধনী অনুষ্ঠানত বিধায়ক চক্ৰধৰ গগৈ, খোৱাং সমজিলাৰ আয়ুক্ত সুপ্ৰিয়া বাউলাৰীৰ লগতে ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

০০০০

ঃঃ সমাপ্ত ঃঃ